সত্যনিষ্ঠ সাংবাদিকতাত উৎসর্গিত

গুৱাহাটী, যোৰহাট আৰু লখিমপুৰৰ পৰা প্ৰকাশিত

আমাৰ অসম

গুৱাহাটী □ বৃহস্পতিবাৰ □ ২৯ কাতি ১৯৩৯ শক □ ১৬ নৱেম্বৰ ২০১৭ □ একবিংশ বছৰ □ সংখ্যা ২০৬ □ মূল্য ঃ ৭·০০ টকা ★

### ড° বাণীকান্ত কাকতি স্মাৰক বক্তৃতানুষ্ঠানৰ মুখ্য বক্তা অধ্যাপক ৰঞ্জিত কুমাৰ দেৱগোস্বামী

# ড° কাকতিয়ে অসমীয়া সাহিত্যত সুস্থিৰ বাতাৱৰণ সৃষ্টি কৰিছিল

**মহানগৰ সেৱা, ১৫ নৱেম্বৰ ঃ** 'উনবিংশ শতিকাৰ বৌদ্ধিক জগতখন আছিল এখন অসাম্য জগত। ড°বাণীকান্ত কাকতিয়ে তেওঁৰ প্ৰভাৱশালী বৌদ্ধিক ধাৰাৰে সেই জগতখন সলনি কৰিছিল।'— এই মন্তব্য তেজপুৰ বিশ্ববিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ আসনৰ অধ্যাপক ৰঞ্জিত কুমাৰ দেৱগোস্বামীৰ। বুধবাৰে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু বিশ্ববিদ্যালয়খনৰ অন্তৰ্গত ড°বাণীকান্ত কাকতি গৱেষণা প্ৰতিষ্ঠানৰ উদ্যোগত ভাষাবিদ বাণীকান্ত কাকতিৰ জন্ম আৰু মৃত্যুদিনৰ সৈতে সংগতি ৰাখি কটন বিশ্ববিদ্যালয়ৰ ছুডমাৰ্চন হলত অনুষ্ঠিত 'বৌদ্ধিক ইতিহাসৰ পট পৰিৱৰ্তন আৰু ড° বাণীকান্ত কাকতি' শীৰ্ষক বাণীকান্ত কাকতি স্মাৰক বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰি অধ্যাপক ৰঞ্জিত কুমাৰ দেৱগোস্বামীয়ে এনেদৰে কয়। দেৱগোস্বামীয়ে পুনৰ কয়— উনবিংশ শতিকাৰ অসমীয়া সাহিত্য-সংস্কৃতিত যি অৰাজকতাৰ সৃষ্টি হৈছিল, সেই অৰাজকতাক প্ৰত্যাহ্বান জনাই ড° বাণীকান্ত কাকতিয়ে অসমীয়া সাহিত্য জগতত এক সুস্থিৰ বৌদ্ধিক ধাৰণাৰ সৃষ্টি কৰিছিল। আজিৰ দিনটোতে ড° বাণীকান্ত কাকতিয়ে কটন কলেজত ইংৰাজীৰ অধ্যাপক হিচাপে যোগদান কৰিছিল। তেওঁ সেই সময়ত এক কিংবদন্তি পুৰুষ আছিল। ৰুছ বিপ্লৱৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ তেওঁ বৌদ্ধিক দিশত প্ৰভুতভাৱে অৰিহণা যোগাইছিল। ড° বাণীকান্ত কাকতিৰ ৰচনা আছিল খুবেই প্ৰণালীবদ্ধ। নাৰী-পুৰুষৰ মাজত ভেদ-ভাব নৰখাকৈ লিংগ বৈষম্যৰ হকে তেৱেঁই প্ৰথমতে মুক্তভাৱে লিখিছিল। কাকতিয়ে নিজৰ ৰচনাত প্ৰথমবাৰৰ বাবে কামনা, বাসনা, প্ৰেম, যৌনতাক ব্যৱহাৰ কৰিছিল। তেওঁৰ লেখাসমূহত চীন বিপ্লৱৰো প্ৰভাৱ পৰিছিল। সেই সময়ত সকলোৱে সাধ্যৰ বাহিৰৰ কথাবোৰ তেওঁ বিচক্ষণতাৰে চিন্তা কৰিছিল। লগতে তেওঁ চিন্তাৰ ইতিহাসৰ পট পৰিৱৰ্তন কৰিছিল। সেই সময়ৰ সমাজত নাৰী চৰিত্ৰৰ বিষয়েও ড° বাণীকান্ত কাকতিয়ে নিজৰ সৃষ্টিৰাজিত সন্নিৱিষ্ট কৰিছিল। যাৰ ফল আছিল সুদূৰ প্ৰসাৰী। উনবিংশ শতিকাৰ ভাষাতত্ত্ব-ধৰ্মচৰ্চা, ইতিহাসৰ জ্ঞানেৰে ড° বাণীকান্ত কাকতিয়ে জ্ঞান সাধনা কৰিছিল। লগতে তেওঁৰ অদম্য জ্ঞানস্পৃহা আছিল। বাণীকান্ত কাকতিৰ মাতৃতান্ত্ৰিক সমাজৰ প্ৰতি দুৰ্বলতা আছিল বুলি মন্তব্য কৰি বক্তাগৰাকীয়ে কয় যে প্ৰত্যেক ৰচনাতে তেওঁৰ আত্মপ্ৰকাশ ঘটিছিল। তেওঁ য'তে হাত দিছিল তাতেই বিষয়বস্তুৱে নতুন ৰূপ ধাৰণ কৰিছিল। তেওঁৰ আদৰ্শ আছিল অতুলনীয়। এইগৰাকী মহান ব্যক্তিক আজি শ্ৰদ্ধাৰে সোঁৱৰিছোঁ।' ইফালে, স্মাৰক বক্তৃতাৰ পিছতেই অধ্যাপকগৰাকীয়ে উপস্থিত সকলোৰে লগত মত বিনিময় কৰে। অনুষ্ঠানৰ আদৰণী ভাষণ প্ৰদান কৰে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ড° বাণীকান্ত কাকতি গৱেষণা প্ৰতিষ্ঠানৰ অবৈতনিক সঞ্চালক আবু আহমেদে। অনুষ্ঠানৰ আঁত ধৰে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° মৃণাল গোস্বামীয়ে। অনুষ্ঠানত ভাগ লয় কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিতেশ ডেকা, ভাৰপ্ৰাপ্ত পঞ্জীয়ক অৰূপজ্যোতি চৌধুৰী, বিশিষ্ট সাহিত্যিক টাবুৰাম টাইদ প্ৰমুখ্যে আনকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে। অনুষ্ঠানত দৰ্শকৰ ফালৰ পৰা মত বিনিময়ত ভাগ লয় জ্যোতি খাটনিয়াৰে।



*অনুষ্ঠানত বক্তৃতা প্ৰদান কৰিছে অধ্যাপক ৰঞ্জিত কুমাৰ দেৱগোস্বামীয়ে*